

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তথ্যৰ পৰিৱেশন মানে এইসমূহ এএনদৰেস্পষ্ট আৰু আকৰ্ষণীয় ৰূপত উপস্থাপন কৰা যাতে ইয়াক সহজে বুজিব পৰা হোৱাৰ লগতে বিশ্লেষণত সুবিধা হয়।
- চিত্ৰ অথবা গ্ৰাফৰ সহায়ত তথ্য পৰিৱেশন কৰিব পাৰি।
- চিত্ৰসমূহ দুইধৰণৰ হব পাৰে - স্তম্ভলেখ আৰু পাইচিত্ৰ।
- স্তম্ভলেখ তিনি প্ৰকাৰৰ - সৰল, যৌগিক আৰু উপ-শিতানত বিভক্ত।
- গ্ৰাফিক্সৰ সহায়ত তথ্য উপস্থাপন কৰোতে পাৰিসাংখ্যিক তথ্য গ্ৰাফ পেপাৰত সৰলৰেখা অথবা বক্ৰৰেখাৰে পৰিৱেশন কৰা হয়।
- গ্ৰাফসমূহ হিষ্টগ্ৰাম বা অ'গাইভ ৰূপে অংকন কৰা হয়।
- অ'গাইফসমূহ দুই প্ৰকাৰৰ - তাতোকৈ অধিক আৰু তাতোকৈ কম।



১৪.৬ অধিক জানিবলৈ

1) Gupta, S.C. (2009). ' Fundamentals of Statistics, Himalayan Publishing House, Mumbai, Sixth Edition Reprint.
2) Gupta, S.P. (2010). 'Statistical Methods', Sultan Chand & Sons, New Delhi.



১৪.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এইটো এটা পদ্ধতি য'ত এখন গ্ৰাফ পেপাৰত পৰিসাংখ্যিক তথ্যসমূহক সৰলৰেখা বা বক্ৰৰেখাৰ ৰূপত উপস্থাপন কৰা হয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ হিষ্টগ্ৰাম হৈছে মাজত কোনো ফাঁক নৰখাকৈ অংকন কৰা আয়তৰ ক্ৰম।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অ'গাইভ হৈছে গ্ৰাফিক্সৰ সহায়ত ধাৰাবাহিক চলকৰ সঞ্চয়ী বাৰংবাৰতা প্ৰকাশ কৰাৰ মাধ্যম।

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'তাতোকৈ অধিক অ'গাইভ' হৈছে নিম্নগামী বক্ৰৰেখা য'ত বাওঁফালৰ পৰা সোঁফাললৈ তললৈ ৰেখা যায় আৰু 'তাতোকৈ কম অ'গাইভ' হৈছে বৰ্ধিত বক্ৰ ৰেখা য'ত বাওঁফালৰ পৰা সোঁফাললৈ ওপৰলৈ ৰেখা যায়।

১৪.৮ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ তথ্যৰ পৰিৱেশন মানে কি?

প্ৰশ্ন ২ ঃ গ্ৰাফ আৰু চিত্ৰৰ মাজৰ পাৰ্থক্য নিৰ্ধাৰণ কৰক।